**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-02-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***----------------***

১। সৌৰ শক্তি উৎপাদনৰ ক্ষেত্ৰত ভাৰতে ১০০ গিগাৱাটৰ লক্ষ্য অতিক্ৰম কৰি বিশ্বত পুনৰব্যৱহাৰযোগ্য শক্তি উৎপাদনৰ অগ্ৰণী দেশ হিচাপে পৰিগণিত হৈছে।

২। ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে গাজা ভূখণ্ডক লৈ কৰা পৰিকল্পনাৰ পৃষ্ঠভূমিত ইজৰাইলে গাজাৰ পৰা পেলেষ্টাইনী নাগৰিকৰ স্থানান্তৰৰ প্ৰস্তুতি চলাইছে।

৩। লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

৪। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ১ লাখ কোটি টকাৰ কৰ ৰেহাইয়ে মুদ্ৰাস্ফীতিৰ ওপৰত কোনো বিশেষ প্ৰভাৱ পেলাব নোৱাৰে বুলি ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোট্ৰাই মন্তব্য কৰিছে।
আৰু

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ বক্সাৰ লাভলীনা বৰগোঁহাই আৰু অংকুচিতা বড়োৱে স্বৰ্ণপদক অৰ্জন কৰিছে।

oooooo

সৌৰ শক্তি উৎপাদনৰ ক্ষেত্ৰত ভাৰতে ১০০ গিগাৱাটৰ লক্ষ্য অতিক্ৰম কৰি বিশ্বত পুনৰব্যৱহাৰযোগ্য শক্তি উৎপাদনৰ অগ্ৰণী দেশ হিচাপে পৰিগণিত হৈছে। নতুন আৰু পুনৰব্যৱহাৰযোগ্য শক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বিবৃতিত কৈছে, যে এই কৃতিত্বৰ জৰিয়তে দেশৰ পৰিস্কাৰ আৰু সেউজীয়া ভৱিষ্যতৰ প্ৰতিশ্ৰুতিকো প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট অজীৱাশ্ম ইন্ধনৰ ক্ষমতা প্ৰাপ্তিৰ যি লক্ষ্য নিৰ্ধাৰণ কৰিছে, সেই লক্ষ্যত উপনীত হোৱাৰ এয়া এক উল্লেখযোগ্য পদক্ষেপৰূপে বিবেচিত হৈছে। নতুন আৰু পুনৰব্যৱহাৰযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে যোৱা ১০ বছৰত ভাৰতৰ শক্তি আহৰণৰ যাত্ৰা ঐতিহাসিক আৰু প্ৰেৰণাদায়ক। তেওঁ কয় যে সৌৰ পেনেল, সৌৰ উদ্যান আৰু ঘৰৰ ছাদত স্থাপন কৰা সৌৰ প্ৰকল্পসমূহে এই যাত্ৰাত বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছে। তেওঁ লগতে কয় যে এই পদক্ষেপৰ জৰিয়তে ভাৰত আত্মনিৰ্ভৰশীল হোৱাই নহয়, বৰং সেউজ শক্তিৰ ক্ষেত্ৰখনত সমগ্ৰ বিশ্বকে এটা নতুন পথ দেখুৱাইছে।

oooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে গাজা ভূখণ্ডক লৈ কৰা পৰিকল্পনাৰ পৃষ্ঠভূমিত ইজৰাইলে ভালেসংখ্যক পেলেষ্টাইনী নাগৰিকক এই ভূখণ্ডৰ পৰা স্থানান্তৰ কৰোৱা প্ৰক্ৰিয়াৰ প্ৰস্তুতি চলাইছে। ইজৰাইলৰ চৰকাৰী সূত্ৰই এই বিষয়ে প্ৰকাশ কৰি কয় যে ইজিপ্তে এই পৰিকল্পনা বিফল কৰাৰ বাবে পৰ্দাৰ আঁৰত কূটনৈতিক অভিযান আৰম্ভ কৰিছে। আনহাতে, পেলেষ্টাইনীসকলে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এই প্ৰস্তাৱ নাকচ কৰিছে। ইজৰাইলে পেলেষ্টাইনী শৰণাৰ্থীসকলক পুনৰ ঘূৰি অহাৰ অনুমতি নিদিয়ে আৰু ইয়াৰ ফলত অঞ্চলটোত অস্থিৰতাই বিৰাজ কৰিব বুলিও পেলেষ্টাইনীসকলে আশংকা কৰিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি ট্ৰাম্পে গাজাত বসতি কৰি থকা লোকসকলক অন্য দেশত সংস্থাপিত কৰাৰ লগতে গাজা ভূখণ্ডক সকলো লোকৰ বাবে মধ্যপ্ৰাচ্যৰ আকৰ্ষণীয় ৰূপে গঢ়ি তোলাৰ প্ৰস্তাৱ কৰিছে। এই পৰিকল্পনাই ইজৰাইলৰ সৈতে থকা ইজিপ্তৰ শান্তি চুক্তি বিঘ্নিত কৰাৰ লগতে মধ্যপ্ৰাচ্যত দশকজোৰা সুস্থিৰতা বিপন্ন কৰিব বুলি ইজিপ্তে সাৱধান কৰি দিছে। আমেৰিকাৰ অন্যতম প্ৰধান সহযোগী চৌদি আৰৱেও পেলেষ্টাইনীসকলক স্থানান্তৰ কৰাৰ পৰিকল্পনাৰ বিৰোধিতা কৰিছে আৰু ইজৰাইলৰ সম্পৰ্ক স্বাভাৱিক কৰাত ই কোনো পধ্যে সহায়ক নহয় বুলি মন্তব্য কৰিছে।

oooooo

লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ সাংসদ ধৰমবীৰ গান্ধীয়ে দেশে সন্মুখীন হোৱা কৃষি প্ৰত্যাহ্বানসমূহ উত্থাপন কৰাত কেন্দ্ৰীয় বাজেট নিষ্ফল হৈছে বুলি অভিযোগ কৰে। তেওঁ লগতে কৃষকৰ আত্মহননৰ বিষয়টো সদনত উত্থাপন কৰে। শ্ৰী গান্ধীয়ে কয় যে চৰকাৰে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ খণ্ডক গুৰুত্ব দিয়া নাই আৰু বাজেটতো এই বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাই। দেশত দিনে দিনে গুণগত শিক্ষা অধিক ব্যয়বহুল হৈ পৰিছে বুলি উল্লেখ কৰি শ্ৰী গান্ধীয়ে কয় যে দৰিদ্ৰ আৰু পিচপৰা শ্ৰেণীৰ বাবে এতিয়া গুণগত শিক্ষা সুলভ নহয়। সমাজবাদী পাৰ্টীৰ নেতা শিৱপাল সিঙেও বাজেটক সমালোচনা কৰে। তেওঁ দেশত কৃষকে নিজৰ উৎপাদিত সামগ্ৰীৰ উপযুক্ত মূল্য পোৱা নাই বুলি অভিযোগ কৰে। ইফালে, তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা অভিষেক বেনাৰ্জীয়ে এল পি জি চিলিণ্ডাৰৰ মূল্যবৃদ্ধিৰ বিষয়টো উত্থাপন কৰি দেশৰ ১২ কোটি পৰিয়ালে ৰন্ধন গেছৰ উপযুক্ত সুবিধা পোৱা নাই বুলি দাবী কৰে। লগতে শ্ৰীবেনাৰ্জীয়ে কেন্দ্ৰীয় বাজেটত পশ্চিম বংগই পৰ্যাপ্ত আবণ্টন লাভ কৰা নাই বুলি উল্লেখ কৰে। আলোচনাত ভাগ লৈ বিজেপিৰ সাংসদ ৰাও ৰাজেন্দ্ৰ সিঙে কেন্দ্ৰীয় বাজেটৰ প্ৰশংসা কৰি কয় যে বাজেটত দৰিদ্ৰ শ্ৰেণী, কৃষক আৰু মহিলাসকলক অগ্ৰাধিকাৰ দিয়া হৈছে। তেওঁ লগতে কয় যে চৰকাৰে কৃষকসকলৰ উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰিছে আৰু এই ক্ষেত্ৰত ভালেমান ব্যৱস্থাও গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে বৰ্তমান সময়ত দেশত প্ৰত্যক্ষ কৰ ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে।  দেশৰ পৰ্যটন আৰু বিমান উদ্যোগ খণ্ডৰ বৃদ্ধি সন্দৰ্ভতো ৰাও ৰাজেন্দ্ৰ সিঙে আলোচনা কৰে। শ্ৰীসিঙে দেশৰ অৰ্থনীতি শক্তিশালী কৰাৰ বাবে বিভিন্ন খণ্ডত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ ওপৰতো আলোকপাত কৰে।

০০০০০০০

দিল্লী বিধানসভা নিৰ্বাচনত বিজেপিয়ে আম আদমী দলৰ প্ৰাৰ্থীক ১৫ কোটি টকাৰ প্ৰলোভনৰ প্ৰস্তাৱ দিয়া বুলি আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালে কৰা দাবীৰ পৰিপ্ৰেক্ষিতত দুৰ্নীতি নিবাৰক ব্যুৰোৰ এটা দলে আজি নতুন দিল্লীত থকা নেতাগৰাকীৰ বাসভৱনত উপস্থিত হয়। উল্লেখযোগ্য যে এই সন্দৰ্ভত আপৰ নেতা সঞ্জয় সিঙে দুৰ্নীতি নিবাৰক ব্যুৰোত অভিযোগ দাখিল কৰিছিল। ইপিনে, দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱে আপৰ এই অভিযোগ ভিত্তিহীন বুলি নাকচ কৰে। শ্ৰীসচদেৱে কয় যে আপে এনে অভিযোগ কৰাৰ আগতে প্ৰমাণ দিয়া উচিত। তেওঁ কয় যে দিল্লী বিজেপিয়ে এই সন্দৰ্ভত দুৰ্নীতি নিবাৰক ব্যুৰোত অভিযোগ দাখিল কৰিব। তেওঁ লগতে কয় যে যদি আপে এই সন্দৰ্ভত কোনো প্ৰমাণ দিব নোৱাৰে তেন্তে ইয়াৰ বিৰুদ্ধে বিজেপি দলে আইনী ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোট্ৰাই কয় যে শেহতীয়াকৈ ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ১ লাখ কোটি টকাৰ কৰ ৰেহাইয়ে মুদ্ৰাস্ফীতিৰ ওপৰত কোনো বিশেষ প্ৰভাৱ পেলাব নোৱাৰে। মুদ্ৰানীতি সমিতিয়ে ৰেপ' হাৰ ২৫ শতাংশ হ্ৰাস কৰাৰ সিদ্ধান্তৰ পাছতেই সংবাদমেলযোগে মালহোট্ৰাই কয় যে দেশৰ পৰ্যাপ্ত উৎপাদন ক্ষমতা আছে আৰু বৰ্তমান ক্ষমতা ব্যৱহাৰৰ হাৰ ৭৫ শতাংশ। কৰ ৰেহাইয়ে দেশৰ উন্নয়নত সহায় কৰিব বুলি মালহোট্ৰাই উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তিনি-দিনীয়া ভ্ৰমণসূচীৰে অহা সোমবাৰে ফ্ৰান্সলৈ ৰাওনা হ'ব। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে পেৰিচত হ'বলগীয়া কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰ সৈতে সহ-অধ্যক্ষতা কৰিব। আজি নতুন দিল্লীত বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ কথা জানিবলৈ দি কয় যে শ্ৰীমোদীয়ে অহা ১২ আৰু ১৩ ফেব্ৰুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে এই ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ কথা।

০০০০০০

উচ্চতম ন্যায়ালয়ত ৭ হাজাৰতকৈও অধিক গোচৰ ১০ বছৰতকৈও অধিক কাল নিষ্পত্তি নোহোৱাকৈ আছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে জনায় যে ১০ বছৰ ধৰি নিষ্পত্তি নোহোৱাকৈ থকা গোচৰবোৰৰ ভিতৰত ছহেজাৰেই ফৌজদাৰী গোচৰ। অন্য এটা লিখিত

উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা বছৰৰ শেষৰ ফালে ৩ লাখ গোচৰ ফাষ্টট্ৰেক আদালতত বিচাৰৰ জৰিয়তে নিষ্পত্তি কৰা হৈছে।

oooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাৰ ত্ৰিবেণী সংগমত বৰ্তমানলৈ ৪০ কোটিতকৈও অধিক লোকে পবিত্ৰ স্নান সম্পন্ন কৰিছে। মকৰ সংক্ৰান্তি, মৌনী অমাৱশ্যা আৰু বসন্ত পঞ্চমী উপলক্ষে বহুসংখ্যক ভক্তই অমৃত স্নান সম্পন্ন কৰাৰ পাছতো প্ৰয়াগৰাজত ভক্তৰ সংখ্যা বাঢ়িয়েই আছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা ১৩ জানুৱাৰীত আৰম্ভ হোৱা মহাকুম্ভ মেলা অহা ২৬ ফেব্ৰুৱাৰীত সামৰণি পৰিব। এই মেলাৰ সামৰণি পৰিবলৈ এতিয়াও ১৯ দিন বাকী থকা পৰিপ্ৰেক্ষিতত অমৃত স্নানত ভাগ লোৱা ভক্তৰ সংখ্যা ৫০ কোটিতকৈও অধিক হ'ব বুলি উত্তৰ প্ৰদেশ চৰকাৰে আশা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ১০ ফেব্ৰুৱাৰীত প্ৰয়াগৰাজ ভ্ৰমণ কালত ত্ৰিবেণী সংগমৰ ধৰ্মীয় অনুষ্ঠানত ভাগ লোৱাৰ কথা।

oooooo

ৰাষ্ট্ৰীয় ৰাজধানীৰ ভাৰত মণ্ডপমত চলি থকা **নতুন দিল্লী বিশ্ব গ্ৰন্থ মেলা** সমগ্ৰ দেশৰে ভালেসংখ্যক গ্ৰন্থপ্ৰেমীয়ে উপভোগ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উন্মোচন কৰা ৯-দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই গ্ৰন্থমেলাৰ অহা দেওবাৰে সামৰণি পৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ইটালী, ফ্ৰান্স, কাটাৰ, সংযুক্ত আৰৱ ৰাষ্ট্ৰ, স্পেইন, চৌদি আৰৱ, কলম্বিয়া, তুৰস্কক ধৰি ৫০খনতকৈও অধিক দেশে এই বিশ্ব গ্ৰন্থমেলাত ভাগ লৈছে।

ooooooo

অলিম্পিক পদক বিজেতা বক্সাৰ লাভলীনা বৰগোহাই আৰু উদীয়মান বক্সাৰ অংকুশিতা বড়োৱে উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত নিজ নিজ শিতানত স্বৰ্ণ পদক অৰ্জন কৰিছে। লগতে তাৰকা বক্সাৰ শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে, ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাসত নতুন অভিলেখ গঢ়ি পোন প্ৰথমবাৰৰ বাবে অসমৰ ৪ গৰাকী বক্সাৰে ফাইনেলত প্ৰৱেশ কৰিছিল।

ইপিনে মহিলাৰ একক আৰ্চাৰীত টুটুমণি বড়ো আৰু আৰ্চাৰী মিক্সড টীম শাখাত অসম দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

ooooooo

সমাপ্ত